ND24
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত (৬২) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

RN-11989/65 । ৬২ বছৰ । ৯ সংখ্যা, ২৬ শাওণ, বুধবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily । VOL. 62 NO. 9 । DIBRUGARH, WEDNESDAY, AUGUST 12, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা

### ডিব্ৰুগড় প্ৰেছ ক্লাবৰ পঞ্চদশ বাৰ্ষিক সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী স্মাৰক বক্তৃতানুষ্ঠানত সুশান্ত তালুকদাৰ

## সাংবাদিকৰ কণ্ঠ ৰোধৰ প্ৰৱণতা গণতন্ত্ৰৰ প্ৰতি ভাবুকি

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১১ আগষ্ট ঃ** চৰকাৰৰ আঁচনি, নীতি আৰু প্ৰকল্পৰ বিষয়ে ৰাইজক অৱগত কৰাৰ লগতে চৰকাৰী সিদ্ধান্ত আৰু কাৰ্যকৰীকৰণ সন্দৰ্ভত ৰাইজৰ প্ৰশ্নৰ উত্তৰ বিচাৰি মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু বিষয়াক প্ৰশ্ন কৰাটোও সাংবাদিকৰ দায়িত্ব। কিন্তু সুস্থ সাংবাদিকতাৰ এই প্ৰক্ৰিয়াত বাধা আৰোপৰ প্ৰৱণতাই মুক্ত, স্বাধীন আৰু দায়বদ্ধ সাংবাদিকতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই প্ৰৱণতা গণতন্ত্ৰৰ বাবে অতি বিপজ্জনক। —এই মন্তব্য বিশিষ্ট লেখক-চিন্তাবিদ তথা 'দ্য হিন্দু' কাকতৰ প্ৰাক্তন সহকাৰী সম্পাদক সুশান্ত তালুকদাৰৰ। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত আজি অনুষ্ঠিত পঞ্চদশ বাৰ্ষিক সাংবাদিক নীলিম চৌধুৰী সোঁৱৰণী স্মাৰক বক্তৃতা অনুষ্ঠানত 'সাম্প্ৰতিক অসমৰ সাংবাদিকতা ঃ আশা আৰু প্ৰত্যাশা' শীৰ্ষক বিষয়ত স্মাৰক বক্তৃতা প্ৰদান কৰি তালুকদাৰে ৰাইজৰ প্ৰশ্নৰ উত্তৰ বিচৰাৰ পৰিৱৰ্তে একাংশ সাংবাদিকে কেৱল চৰকাৰী বক্তব্য প্ৰচাৰত নিজকে সীমাবদ্ধ ৰখাৰ প্ৰৱণতা বৃদ্ধি পোৱাটো উদ্বেগজনক বুলি মন্তব্য কৰে। ১৯৩৬ চনত ৰেডিঅ' আৰু ১৯৫৯ চনত টেলিভিছনৰ আগমনৰ পৰা বৰ্তমানৰ ডিজিটেল যুগলৈ সাংবাদিকতাৰ পৰিৱৰ্তন, উত্থান-পতন আৰু বিভিন্ন প্ৰত্যাহ্বানৰ বিষয়েও তালুকদাৰে বিস্তৃতভাৱে আলোচনা কৰে। অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থকা অৰুণাচল প্ৰদেশৰ অৱসৰপ্ৰাপ্ত উপায়ুক্ত তথা গালু লুনভ বানভৰ সভাপতি টুংগে লয়াই উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ঐক্য আৰু ভাতৃত্ববোধ অটুট ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানসজ্যোতি দত্তৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত সাধাৰণ সম্পাদক ৰিপুঞ্জয় দাসে উদ্দেশ্য ব্যাখ্যা কৰে। জ্যেষ্ঠ সাংবাদিক তথা প্ৰেছ ক্লাবৰ উপদেষ্টা



শৰৎ চন্দ্ৰ নেওগে প্ৰয়াত সাংবাদিক নীলিম চৌধুৰীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। লগতে প্ৰয়াত সাংবাদিক হৰি বিনোদ বাৰ্মা আৰু সঞ্জীৱ নন্দীৰ প্ৰতিচ্ছবিত পৰিয়ালবৰ্গই পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানত চাৰিগৰাকী কৃতী সাংবাদিকক বিশেষ সন্মানসূচক বঁটা প্ৰদান কৰা হয়। নীলিম চৌধুৰী সোঁৱৰণী বঁটা লাভ কৰে লখিমপুৰৰ DY365ৰ ব্যুৰ' কৰুণাকৃষ্ণ নাথে। সঞ্জীৱ নন্দী যুৱ সাংবাদিকতা বঁটা লাভ কৰে ডিব্ৰুগড়ৰ 'দ্য ছেণ্টিনেল'ৰ ষ্টাফ ৰিপ'ৰ্টাৰ অভীক চক্ৰৱৰ্তীয়ে। জ্যোতি-ললিতা কাকৈ ফাউণ্ডেচনৰ পৃষ্ঠপোষকতাত অনুসন্ধানমূলক সাংবাদিকতাৰ বঁটা লাভ কৰে তিনিচুকীয়াৰ 'দৈনিক জনমভূমি'ৰ ছিনিয়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ প্ৰণৱ ফুকনে। আনহাতে হৰিবিনোদ বাৰ্মা (W) ফটো সাংবাদিকতা বঁটা লাভ কৰে শিৱসাগৰৰ News Liveৰ জ্যেষ্ঠ ভিডিঅ' সাংবাদিক হিমাংশু নেওগে। অনুষ্ঠানত সমাজকৰ্মী জ্যোতিপ্ৰসাদ কাকৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডঃ চৈকত পাত্ৰ, কাকৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া আৰু প্ৰয়াত নীলিম চৌধুৰীৰ সহধৰ্মিণী ডঃ সুবাসনা মহন্ত চৌধুৰীয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়।